মায়ং ডেভেলপমেন্টৰ ব্লকৰ লগত থকা এগ্ৰিকালচাৰ চেন্টাৰটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে চাৰি লাখ টকা চেংচন কৰা হৈছিল বুলি সমিতিক জনায়। ঘৰটোৰ মুঠ ১০৮০ বৰ্গ ফুটৰ বুলি সমিতিয়ে জানিব পাৰে। বিভাগৰ ফালৰ পৰা পিচত এক্সটেনচন কৰা কৰা বুলি সমিতিক জনায়।

ক্ৰমশ: ১৭/-

জাগী ভকত গাওঁ জি পি এচ এচ বিল্ডিং পৰিদৰ্শন :(মায়ং ডেভেলপমেণ্ট বলক)

সমিতিয়ে ডি পি এচ এচ বিল্ডিংটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে এক লাখ + এক লাখ মুঠ দুই লাখ টকা চেংচন কৰা হৈছে আৰু এই টকাৰ ভিতৰত ইলেকট্ৰিফিকেচনো ধৰা আছে বুলি সমিতিক জানিবলৈ দিয়ে। সমিতিয়ে এই আচনিটো চাই সন্তুষ্টি প্ৰকাশ কৰে।

জাগী মজলীয়া বিদ্যালয়, (মায়ং ডেভেলপমেণ্ট বলক) :

, জাগী মজলিয়া বিদ্যালয় পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ জে আৰ ওৱাইৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ ১২ হেজাৰ টকা চেংচন কৰা হৈছিল বুলি সমিতিক জনায়। আচনিটো ২৬/১২/৯৯ তাৰিখে উদ্বোধন কৰে বুলি সমিতিয়ে জানিব পাৰে।

জাগী কনকেশ্বৰ বৰুৱা ৰঙ মঞ্চ (মায়ং ডেভেলপমেণ্ট বলক):

জাগী কনকেশ্বৰ বৰুৱা ৰঙ মঞ্চ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ টকা চেংচন কৰা হৈছিল বুলি সমিতিক জনায়।

নেলি মাৰ্কেট চেট (মায়ং ডেভেলপমেণ্ট বলক ) :

নেলি মাৰ্কেট চেট পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই সমিতিক জনায় যে এই আচনিটো ১৯৯৬-৯৭ চনৰ ই, এ,এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে দুই লাখ টকা চেংচন কৰা হৈছিল। এই গোটেই ফাণ্ড বলকত ৰিলিজ কৰা হৈছিল বুলি বিভাগীয় বিষয়াই সমিতিক অৱগত কৰে। বাইজৰ ফালৰ পৰা কেশৱ চন্দ্ৰ বৰদলৈ নামৰ লোকজনে শ্ৰী কিনাৰাম পাটৰ নামৰ ঠিকাদাৰ এজনে এই আচনিটোৰ পোষ্ট আৰু বীমৰ কামখিনি কৰা বুলি সমিতিক জনায়। এই আচনিটোৰ ক্ষেত্ৰত সমিতিয়ে অসন্তুষ্টি প্ৰকাশ কৰে। যিখিনি কাম কৰা হৈছে সেইখিনি সঠিকভাৱে কৰা হোৱা নাই বুলি সমিতিয়ে মত পোষণ কৰে। পি,ডিয়ে এই ক্ষেত্ৰত ব্যৱস্থা হাতত লোৱা হৈছে, বলকৰ ফালৰ পৰা আধা টকা খৰছ কৰা হৈছে আৰু চি আই চিট জমা আছে বুলি সমিতিক অৱগত কৰে।

শ্ৰীমতী ফুল ডেকা (স্বামী ৰতন ডেকা)ৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন:
(মায়ং ডেভেলপমেণ্ট বলক) গোভা গাওঁ।

শ্ৰীমতী ফুল ডেকাৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি জনায়। বেনিফিচিয়াৰীৰ

ক্ৰমশ: ১৮/-

পৰিয়াল তথা ওচৰ চুবুৰীয়াৰ লোকে এই ঘৰটো ঠিকাদাৰে বনোৱা বুলি জনায়। বিভাগীয় বিষয়াই এই আচনিটো চি এমৰ ভিজিলেন্সে তদন্ত কৰি আছে বুলি জনায়।

শ্ৰী ৰামসিং দৈমাৰী (বড়ো) ৰ আই এ ওৱাই ঘৰ পৰিদৰ্শন : (মায়ুং ডেভেলপমেন্ট বলক গোভাগাওঁ)

শ্ৰী ৰামসিং দৈমাৰীৰ আই এ ওৱাইৰ ঘৰটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি সমিতিক জনায়। সমিতিয়ে এই আচনিটোৰ অলপ কাম কৰিবলৈ বাকী থকা দেখা পায়। বিভাগীয় বিষয়াই এই কামখিনি সোনকালে কৰিব বুলি বিভাগক আশ্বাস দিয়ে।

শ্ৰীমতী বেণু দাস(স্বামী শ্ৰী মাধৱ দাস)ৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন : (মায়ুং ডেভেলপমেন্ট বলক)

শ্ৰীমতী বেণু দাসৰ আই এ ওৱাইৰ আচনিৰ ঘৰ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি সমিতিক জনায়। এই আচনিটোৰো অলপ কাম কৰিবলৈ বাকী থকা দেখা পায় আৰু ৭ দিনৰ ভিতৰত এই কামখিনি সম্পূৰ্ণ কৰিবৰ কাৰণে সমিতিয়ে বিভাগক পৰামৰ্শ দিয়ে।

শ্ৰীমতী সুমিত্ৰা বড়োৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন:(মায়ুংডেভেলপমেন্ট বলক):

শ্ৰীমতী সুমিত্ৰা বড়োৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ অন্তৰ্গত বুলিআৰু এই আচনিটো মুখ্য মন্ত্ৰী ভিজিলেন্স চেলে তদন্ত কৰি আছে বুলি সমিতিক জনায়।

শ্ৰীমতী কইনামতী বড়োৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন(মায়ুং ডেভেলপমেন্ট বলক গাবো গাওঁ)

শ্ৰীমতী কইনামতী বড়োৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ অন্তৰ্গত বুলি সমিতিক জনায়। এই ঘৰটোৰ টিং পাতখিনি বেনিফিচিয়াৰীয়ে নিজে লগোৱা বুলি সমিতিক জনায়। আৰু এই ঘৰটোৰ বিনৰ ডেকা নামৰ ঠিকাদাৰ এজনে নিৰ্মাণ কৰা বুলি জনায়। সমিতিয়ে অসম্পূৰ্ণ হৈ থকা কামখিনি সম্পূৰ্ণ কৰাৰ কাৰণে বিভাগক পৰামৰ্শ দিয়ে।

জালুগুটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাউন্দাৰি ওৱাল :

সমিতিয়ে জালুগুটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাউণ্ডৰি ওৱাল পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াক এই আচনিটো ১৯৯৮-৯৯ চনৰ

ক্ৰমশ: ১৯/-

ই এ এচৰ বুলি জনায় আৰু এই আচনিটোৰ কাৰণে ৭৫ হাজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়। সমিতিয়ে বাউণ্ডৰি ওৱালৰ তলত থকা (এটা অংশ) গাতটো ফিলাপ কৰাৰ কাৰণে বিভাগক পৰামৰ্শ দিয়ে।

মাৰ্কেট চেড এটা জালুগুটি :

সমিতিয়ে মাৰ্কেট চেড আচনিটো পৰিদৰ্শন কৰাৰ সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু ইয়াত ১৫ পাৰচেণ্ট এ,পি,চেয়াৰ আছে বুলি জনায়। এই আচনিটো পৰিদৰ্শন কৰি সমিতিয়ে একেবাৰে সন্তুষ্ট হোৱা নাই বুলি মত পোষণ কৰে। আচনিটোত থকা দুটা মান পোষ্ট বেকা হৈ গৈছে। বীমৰ যিখিনি কাম হৈছে সেই কাম খিনি ভাল হোৱা নাই। বিভাগীয় বিষয়াই এই আচনিটোৰ কিছুমান সামগ্ৰী চুৰ কৰি নিয়া বুলি বিভাগক অৱগত কৰে। সমিতিয়ে এই আচনিটো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত স্থানীয় কমিটি গঠন কৰি দিয়াৰ কাৰণে পৰামৰ্শ আগবঢ়ায়। বিভাগীয় বিষয়াই যিখিনি কাম বেয়া হৈছে সেইখিনি কাম নতুনকৈ বনাই দিম বুলি সমিতিক কয়। এই আচনিটোৰ কাৰণে (তিনি) লাখ টকা ধৰা হৈছিল বুলি বিভাগে জনায়। সমিতিয়ে এই আচনিটো ৰূপায়ণ কৰা ক্ষেত্ৰত স্থানীয় লোক নিয়োগ কৰাৰ কাৰণে পৰামৰ্শ আগবঢ়ায়।

শ্ৰীগজেন দাসৰ ''গ্ৰীণ হাউচ'' পৰিদৰ্শন:
কাছ ধৰা বৰডোগী কপিলি ডেভলপমেণ্ট ব্লক:

সমিতিয়ে শ্ৰী গজেন দাসৰ গ্ৰীণ হাউচটো পৰিদৰ্শন কৰা সময়ত শ্ৰী গজেন দাসৰ এহাজাৰ টকা নগদ দিয়া বুলি জনায়। আৰু তেখেতে কৃষি বিভাগত কেইদিনমানৰ কাৰণে ট্ৰেনিং লৈ অহা বুলি জনায়। সমিতিয়ে ঘৰটো পৰিদৰ্শন কৰা সময়ত গ্ৰীণ হাউচটোৰ দীঘল ৬৫ ফুট আৰু বহলে ২০ ফুট আছে বুলি জানিব পাৰে। সমিতিয়ে চিম পলিন নমুনা এটুকুৰা সংগ্ৰহ কৰে। বিভাগীয় বিষয়াই লুইত এচোচিয়েটচ্ আৰু নীলাচল এজেঞ্চিৰ পৰা চিম পলিন যোগান ধৰাৰ কথা সমিতিক জনায়। সমিতিয়ে শ্ৰী কৃষ্ণ ৰাম দাসৰ গ্ৰীণ হাউচটোও লগতে পৰিদৰ্শন কৰে। এখেতকো নগদ এহেজাৰ টকা আৰু কৃষি বিভাগত ট্ৰেনিং দি অনাৰ কথাও বিভাগীয় বিষয়াই সমিতিক জনায়। সমিতিয়ে এই দুয়োটা আচনিনেই নগদ ধন আৰু সামগ্ৰী ১৯৯৯ চনৰ অক্টোবৰ মাহত বেনিফিচিয়াৰীয়ে পায় বুলি বিভাগৰ পৰা জানিব পাৰে। সমিতিয়ে শ্ৰী কৃষ্ণ ৰাম দাসৰ গ্ৰীণ হাউচটো নিৰ্মাণৰ কাম ঠিক হোৱা নাই বুলি মত পোষণ কৰে।

শ্ৰী নীলেন নাথৰ গ্ৰীণ হাউচ পৰিদৰ্শন :(কপিলি ডেভেলপমেণ্ট বলক)

সমিতিয়ে শ্ৰী নীলেন নাথৰ গ্ৰীণ হাউচ পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই বেনিফিচিয়াৰীক নগদ এহেজাৰ টকা দিয়া আৰু কৃষি বিভাগত তেইদিন মানৰ কাৰণে ট্ৰেনিং দি অনাৰ কথা কয় । এই গ্ৰীণ হাউচ-টোৰ দীঘল ৬৬ ফুট আৰু বহল ২০ ফুট বুলি সমিতিয়ে জানিব পাৰে । সমিতিয়ে গ্ৰীণ হাউচৰ ভিতৰত থকা কেপচিকাম পুলিবোৰ চাই সন্তুষ্টি প্ৰকাশ কৰে । বেনিফিচিয়াৰীয়ে বাহ নিজে কিনিছে বুলি, শ্ৰম নিজে কৰিছে বুলি জনায় আৰু বিভাগৰ ফালৰ পৰা সাৰ দিয়াৰ কথা আছিল যদিও সাৰ দিয়া নাই বুলি সমিতিক অৱগত কৰে । বিভাগৰ ফালৰ পৰা চিম পলিন বেনিফিচিয়াৰীক যোগান ধৰা হয় বুলি সমিতিক জনায় । এই ঘৰটো ডিজাইনটো থিক হৈছে বুলি সমিতিয়ে মত পোষণ কৰে । বিভাগীয় বিষয়াই বাইজৰ ফালৰ পৰাও এটা অংশ কনট্ৰিবিউচন থাকিব লাগে বুলি সমিতিক অৱগত কৰে ।

শ্ৰীমতী সুমিত্ৰা গাওঁখোৱা আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :
বাকৰি গাওঁ কপিলি ডেভেলপমেণ্ট বলক

সমিতিয়ে শ্ৰীমতী সুমিত্ৰা গাওঁখোৱাৰ আই এ ওৱাইৰ ঘৰটো পৰিদৰ্শন কৰোঁতে বিভাগীয় বিষয়াই এই আচনিটোত ১৯৯৮-৯৯ চনৰ বুলি জনায় । এই আচনিটো মোটামোটি থিকেই আছে বুলি সমিতিয়ে মত পোষণ কৰে ।

কনষ্ট্ৰাকচন অৱ কপিলি ডেভেলপমেণ্ট বলক অফিচ বিল্ডিং পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ কাৰণে ডেৰলাখ টকা চেংচন কৰা বুলি জনাইছে । এই আচনিটো ১৯৯৮-৯৯ চনৰ অন্তৰ ১৫ পাৰচেণ্ট চেয়াৰৰ অন্তৰ্গত । তাত খিড়িকি,বদ যিবিলাক দিয়া হৈছে সেইবোৰ সৰু হৈছে বুলি সমিতিয়ে মত পোষণ কৰে আৰু অতি কমেও ১২ এমৰ বদ দিব লাগে বুলি মত পোষণ কৰে ।

দৰঙীয়াল গাওঁ এল পি স্কুল পৰিদৰ্শন : (কপিলি ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰোঁতে সময়ত বিভাগীয় বিষয়াই এইটো অ,বি,বি, অন্তৰ্গত বুলি জনায় । এই আচনিটোৰ কাৰণে ১ লাখ ২০ হেজাৰ টকা চেংচন হৈছে বুলি জনায় । সমিতিয়ে এই ঘৰটোৰ দীঘল ৯ মি: আৰু বহল ৪'৫ মিটাৰ বুলি জানিব পাৰে । সমিতিয়ে এই স্কুল ঘৰৰ আচনিটো নিৰ্মাণ কাৰ্য্যত সন্তুষ্টি প্ৰকাশ কৰে ।

দৰঙীয়াল গাওঁ কপিলি ডেভেলপমেণ্ট বলক :
শ্ৰী সোমেশ্বৰ শইকীয়া আই এ ওৱাই আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি সমিতিক অৱগত কৰে আৰু মাটিৰ গণ্ডগোল

ক্ৰমশ: ২১/-

থকাৰ কাৰণে ঘৰৰ ওপৰত টিং পাত আৰু কাঠ লগোৱা নাই বুলি জনায় । সমিতিয়ে এসপ্তাহৰ ভিতৰত কাঠ আৰু টিংপাত লগাই ঘৰটোৰ কাম সম্পূৰ্ণ কৰিব বুলি নিৰ্দেশ দিয়ে ।

শ্ৰী টঙ্কেশ্বৰ শইকীয়া আই এ ওৱাইৰ আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ বুলি কমিটিক অৱগত কৰায় । এই আচনিটোৰ কাম সম্পূৰ্ণ হৈছে যদিও ঘৰৰ মুধচ বাহেৰে হিতাধিকাৰীয়ে নিজে দিয়া বুলি আৰু ঠিকাদাৰৰ দৰাবা কৰোৱা হয় বুলি সমিতিক জনায় । সমিতিয়ে যিবিলাক ঘৰত মুধচ ইটাৰে গাঠি দিয়া নাই সেই বিলাক গাঠি দিবৰ বাবে বিভাগক পৰামৰ্শ দিয়ে ।

শ্ৰী মোহন শইকীয়া আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ বুলি সমিতিক অৱগত কৰে । এই আচনিটো চাই সমিতিয়ে সন্তুষ্টি প্ৰকাশ কৰে ।

শ্ৰীমতী কল্পনা বৰা আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ বুলি অৱগত কৰে । এই আচনিটো সম্পূৰ্ণ হৈছে যদিও ঘৰটো মুধচ ইটাৰে গঠা নাই । সেয়েহে সমিতিয়ে ঘৰৰ মুধচ ইটাৰে গাঠি দিবৰ কাৰণে বিভাগক পৰামৰ্শ দিয়ে ।

কনষ্ট্ৰাকচন অব অঙ্গনবাদী কমিউনিটি চেণ্টাৰ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় । এই আচনিটোৰ কাৰণে ১,৬০,০০০ টকা চেংচন কৰা হয় বুলি জনায় । সমিতিয়ে এই আচনিটোৰ কাম ঠিকে আছে বুলি মত পোষণ কৰে ।

আলি কাৰু এলপি স্কুল'ইউৰিনেল' পৰিদৰ্শন :

এইটো আচনি পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি কয় । আৰু ইয়াৰ কাৰণে ২০ হেজাৰ টকা চেংচন কৰা হয় বুলি জনায় । এই আচনিৰ ইউৰিনেল দুটা চাই বেছি টকা খৰছ হৈছে বুলি সমিতিয়ে মত পোষন কৰে ।

কনষ্ট্ৰাকচন অব ব্ৰীক কেনেল ফৰম বোকাবিল পাৰ্কটু কলগুৰি বোড পৰিদৰ্শন :
(কপিলি ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই, এ,এচৰ অন্তৰ্গত বুলি জনায় । এই আচনিটোৰ কাৰণে

ক্ৰমশঃ ২২/-

৭০ হেজাৰ টকা চেংচন হৈছিল বুলি জনায় । লগতে এই আচনিটো ১৪৪ মিটাৰ দীঘল আৰু বহল ডেৰ ফুত আছিল বুলি সমিতিক জনায় । সমিতিয়ে এই আচনিটোৰ ভিতৰত মজিয়াৰ প্লাষ্টাৰ খহি যোৱা আৰু ভাঙি যোৱা অৱস্থা দেখা পায় । এই আচনিটোৰ ক্ষেত্ৰত সমিতিয়ে অসন্তুষ্টি প্ৰকাশ কৰে ।

আলিপুখুৰী পাটিকিবুৰী থান উন্নয়ন আৰু গৃহ নিৰ্মান আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ কাৰণে ই এ এচৰ এটা ফেজত ছয় লাখ টকা ই এ এচৰ অন গইংত ২ লাখ ৫৬ হেজাৰ টকা এম,পি ফাণ্ডৰ পৰা ২ লাখ ৫ হেজাৰ টকা আৰু আন টাইড ফাণ্ডৰ পৰা এক লাখ টকা দিয়া হয় বুলি সমিতিক অৱগত কৰে ।

ইং ৩০-১-২০০০ তাৰিখে দিনৰ ভাগত নগাওঁ জিলাৰ ডি,আৰ,ডি,এৰ বিভিন্ন আচনিবোৰ নিম্ন লিখিত ধৰনে সমিতিয়ে পৰিদৰ্শন কৰে:

মিটিং হল এট খাগৰিজান ডেভেলপমেণ্ট ব্লক হেড কোৱাটাৰ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় আৰু এই আচনিটোৰ কাৰণে ৩ লাখ ৫০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায় । এই আচনিটো পৰিদৰ্শন কৰা সময়ত সমিতিয়ে এই হলটো দীঘল ১৩'৫ মিটাৰ আৰু বহল ৯'৫ মিটাৰ আছে বুলি জানিব পাৰে । বিভাগীয় বিষয়াই হলটোৰ লগতে ৭ ফুটৰ বাৰাণ্ডা আৰু চেনিটেৰিও এই টকাখিনিৰ ভিতৰত আছে বুলি জনায় । ইয়াৰোপৰি ফেনসহ ইলেকট্ৰিফিকেচন খিনিও এই টকাৰ ভিতৰত আছে বুলি জনায় ।

অসম নাট্য সন্মিলন নাট তীৰ্থ প্ৰকল্পৰ ফিচাৰী টেঙ্ক পৰিদৰ্শন :
( বিৰহ বেৰেজীয়া)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে দুই লাখ টকা চেংচন কৰা হৈছে বুলি জনায় । এই পুখুৰীটোৰ দীঘল ৬৫ মি: আৰু বহল ৪০ মিটাৰ বুলি বিভাগৰ ফালৰ পৰা সমিতিক জানিবলৈ দিয়ে । ইয়াৰ লগতে ১৭০ ৰানিং মিটাৰ আৰ,চি,ফেনচিং আছে বুলি আৰু ৬ হেজাৰ টকাৰ মাছ পেলাইছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক জানিবলৈদিয়ে ।

ভোগেশ্বৰী হাজৰিকা গাৰ্লচ এইচ,এচ স্কুলৰ কমিউনিটি হল পৰিদৰ্শন :
(বেৰেজীয়া)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগৰ ফালৰ পৰা বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় আৰু এই আচনিটোৰ কাৰণে এক লাখ বিশ হাজাৰ টকা চেংচন কৰা হৈছে বুলি

শ্ৰী পিতাৰাম বৰদলৈৰ আই এ ওআইৰ ঘৰ পৰিদৰ্শন (বামুণ গাওঁ)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৯-২০০০ চনৰ বুলি সমিতিক জনায় । সমিতিয়ে এই আচনিটোৰো কিছু কাম কৰিবলৈ বাকী থকা দেখা পায় । সেয়েহে সমিতিয়ে এই ঘৰটো সোনকালে সম্পূৰ্ণ কৰি দিয়াৰ কাৰণে বিভাগীয় বিষয়াক পৰামৰ্শ দিয়ে ।

বামুণ গাওঁ জনজাতি এল পি স্কুল:

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ অ,বি,বি সন্দৰ্ভত বুলি সমিতিক জনায় । এই আচনিটোৰ কাৰণে ১,২০,০০০ হেজাৰ টকা চেংচন কৰা হৈছিল বুলি জনায় । এই আচনিটো ২৬-৫-৯৯ তাৰিখে উদ্বোধন কৰাৰ কথা সমিতিয়ে জানিবলৈ পায় । এই ঘৰটোৰ দীঘল ৯ মিটাৰ আৰু বহল ৫ মিটাৰতকৈ অলপ বেছি বুলি সমিতিক জনায় । এই ঘৰটোৰ ফিনিচিং ভাল হোৱা নাই সমিতিয়ে মন্তব্য কৰে । যিখিনি ফিনিচিং দিয়া হৈছে আৰু ৰিপিয়াৰিংৰ কাম বাকী আছে সেইখিনি সোনকালে সম্পূৰ্ণ কৰাৰ কাৰণে সমিতিয়ে বিভাগীয় বিষয়াক পৰামৰ্শ দিয়ে ।

সোনাই নদীৰ ফুট ব্ৰীজ পৰিদৰ্শন: (খাগৰিজান ব্লক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত বুলি সমিতিক জনায় । আৰু এই আচনিটোৰ কাৰণে আঠ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায় । এই আচনিটোত দীঘল ৩৯ মিটাৰ, বহল ২'৪ মিটাৰ বুলি সমিতিয়ে জানিব পাৰে।

পঞ্চৰত্ন মহিলা সমিতিৰ টকৌবাৰী উইভিং কমপ্লেকচ্ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো আই আৰ ডি পি মন্ত্ৰাকচাৰ বুলি জনায় আৰু এই আচনিটোৰ কাৰণে চাৰি লাখ টকা চেংচন কৰা হৈছে বুলি জনায় । সমিতিয়ে এই বিল্ডিং-টোৰ চিৰি ফাটি থকা অৱস্থাত দেখা পায় । সেইখিনি ৰিপিয়াৰ কৰি দিয়াৰ কাৰণে বিভাগক পৰামৰ্শ দিয়ে । বিভাগীয় বিষয়াই বিল্ডিংটোৰ লগতে এই টকাৰ ভিতৰতে 'ইউৰিনেল'ও আছে বুলি সমিতিক অৱগত কৰে । সমিতিয়ে স্কুল চলি থকা সময়ত উইভিংৰ কাম-কাজ চলি থাকিলে স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ যদি কিবা অসুবিধা তেতিয়াহলে স্কুল চলি থকা সময়ত উইভিংৰ কাম বন্ধ ৰাখি স্কুল আৰম্ভ আৰু ছুটী হোৱাৰ আগে পিচে উইভিংৰ কাম কৰিবলৈ বিভাগৰ বিষয়াক পৰামৰ্শ দিয়ে ।

ধিং পি ডব্লিউ ডি ৰোড টৰঙ্গাগড়া হাউচ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় আৰু এই আচনিটোৰ

ক্ৰমশ: ২৫/-

কাৰণে দুই লাখ টকা চেংচন কৰা বুলি জনায়। এই আচনিটো দীঘলে ১ কিলোমিটাৰ আৰু বহলে ৪ মিটাৰ বুলি বিভাগীয় বিষয়াই সমিতিক জনায়।

জুৰীয়া পি ডব্লিউ ডি ৰোড টু সোণাই ৰিভাৰ (ইষ্ট)
(কেন্দুগুৰি)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচ অন্তৰ্গত বুলি জনায় আৰু এই আচনিটোৰ কাৰণে এক লাখ ত্ৰিশ হাজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়। লগতে এই আচনিটো কেৱল অৰ্থফিলিংৰ কাম কৰা হৈছে বুলি জনায়।

পশ্চিম কেন্দুগুৰি এল পি স্কুল পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় আৰু এই আচনিটোৰ কাৰণে ৬০ হাজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়। এই টকাখিনিৰে দুটা ৰুম এক্সটেনচন কৰা সমিতিয়ে দেখিবলৈ পায় আৰু সেই ৰুম দুটা প্লাষ্টাৰ নকৰা অৱস্থাত দেখিবলৈ পায়। সমিতিয়ে সেই ৰুম দুটা প্লাষ্টাৰ কৰিবৰ কাৰণে বিভাগক পৰামৰ্শ দিয়ে।

লেণ্ড ডেভেলপমেণ্ট অব ইছলাম নগৰ প্লে গ্ৰাউণ্ড:
(যোগীজান ডেভেলপমেণ্ট ব্লক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত বুলি কয় আৰু আচনিটোৰ কাৰণে ১ লাখ ১৮ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। লগতে এই আচনিটো দীঘলে ১০০ মিটাৰ আৰু বহলে ৫০ মিটাৰ বুলি বিভাগৰ ফাইলৰ পৰা সমিতিক জনায়। সমিতিৰ ফাইলৰ পৰা এইখন প্লে গ্ৰাউণ্ড নে মিনি ষ্টেডিয়াম তাৰ এটা অনুসন্ধান কৰি ৰিপোৰ্ট দিয়াৰ কাৰণে বিভাগক নিৰ্দেশ দিয়ে।

কনষ্ট্ৰাকচন অব ইছলাম নগৰ উচ্চ ইংৰাজী বিদ্যালয় কমিউনিটি হল :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১'৫ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়।

চিকাৰী বৰ্তী ৰেটিং চেড (তিনি আলি) পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ জে আৰ ওৱাইৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৩০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়।

ক্ৰমশ: ২৬/-

হৰ্টিকালচাৰ নাৰ্চাৰি এট বলক হেড কোৱাটাৰ:
(যোগীজান ডেভেলপমেণ্ট বলক )

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ কাৰণে ৭০ হেজাৰ টকা চেংচন কৰা হৈছে আৰু এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায় ।

কনষ্ট্ৰাকচন অব হোজাই সাহিত্য সভা ভৱন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ বিল্ডিং নিৰ্মাণৰ কাৰণে ২ লাখ টকা আৰু বাউণ্ডাৰি ৱাল নিৰ্মাণৰ কাৰণে ১ লাখ ৫০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায় । এই আচনিৰ কামটো কমিটিয়ে কৰা বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে । এই আচনিটোৰ নিৰ্মাণৰ কাম কাজ ভাল হৈছে বুলি সমিতিয়ে মত পোষণ কৰে আৰু সন্তুষ্টি প্ৰকাশ কৰে ।

শংকৰদেৱ কলা কৃষ্টি বিকাশ কেন্দ্ৰ পৰিদৰ্শন :
(দক্ষিণ গোলাঘোটিয়া বস্তি)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ ৫০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায় । এই আচনিটোৰ নিৰ্মাণৰ কাম কমিটিয়ে কৰি আছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে ।

কনষ্টাকচন অব ৰোড/ বান্ধ ষ্টাৰ্টিং ফ্ৰম নাম ডবকা পি ডবিলউ ডি ৰোড টু খালৈক মিঞা বান্ধ পৰিদৰ্শন ।

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত । এই আচনিটোৰ কাৰণে এক লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায় । লগতে এই আচনিটোৰ আগতে ৫৫ পাৰচেণ্ট টকা খৰছ হৈছিল এতিয়া ৭০ পাৰচেণ্ট টকা খৰছ হৈছে আৰু কাম চলি আছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে ।

কোৰোনাট প্লেণ্ট ফৰ আন এমকলইড ইউথ আচনি পৰিদৰ্শন :
(পশ্চিম কলিয়াবৰ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে তিনি লাখ টকা চেংচন কৰা হৈছে বুলি জনায় । লগতে এই আচনিটোৰ কাৰণে ধাৰ্য্য কৰা তিনি লাখ টকাৰ ভিতৰত এক লাখ ৪০ হেজাৰ টকা খৰছ কৰা হৈছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে ।

ক্ৰমশ: ২৭/-

বৰচুং গাওঁৰ সমীপত কলং নদীৰ ওপৰত ফুটব্ৰীজ :
(পশ্চিম কলিয়াবৰ ডেভেলপমেণ্ট ব্লক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে দুই লাখ ৮৬ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। এই ফুট ব্ৰীজখনৰ দীঘ ৫১ মিটাৰ আৰু বহল ২ মিটাৰ আছে বুলি সমিতিয়ে জানিব পাৰে।

টি নাচাৰি' এট ব্লক হেড কোৱাটাৰ আচনি পৰিদৰ্শন :
(পশ্চিম কলিয়াবৰ ডেভেলপমেণ্ট ব্লক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৩'৫ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। বিভাগৰ ফালৰ পৰা চাহ গছৰ পুলি সুলভ মূল্যত নিবনুৱা যুৱক সকলক যোগান ধৰা বুলি সমিতিক জনায়। সমিতিয়ে নগাওঁ জিলাত আচনিবোৰ পৰিদৰ্শন কৰাৰ পিচত শোনিতপুৰ জিলাত ১-২-২০০০ তাৰিখে নিম্ন লিখিত ধৰনে ডি আৰ ডি এৰ আচনিবোৰ পৰিদৰ্শন:

গলীয়া ব্ৰীজ আচনি পৰিদৰ্শন: (বিশ্বনাথ ডেভেলপমেণ্ট ব্লক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ কাৰণে ১৯৯৯-২০০০ চনৰ ই এ এচৰ পৰা ১ লাখ, ১৯৯৮-৯৯ চনৰ ই এ এচৰ পৰা ১ লাখ, ১৯৯৭-৯৮ চনৰ ই এ এচৰ পৰা ২ লাখ আৰু ১৯৯৬-৯৭ চনৰ পৰা ১ লাখ মুঠ ৫ লাখ টকা চেংচন কৰা হৈছে বুলি জনায়। এই আচনিটো চাই সমিতিয়ে সন্তুষ্টি প্ৰকাশ কৰে।

ইমপ্ৰোভমেণ্ট অৱ ৰোড টু ৰবিমবল গাওঁ টু গলিয়া ভাইয়া ব্ৰীজ :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি কয়। এই আচনিটোৰ কাৰণে ২০ হেজাৰ টকা খৰছ হৈছে আৰু কিছু টকা জমা আছে বুলি সমিতিক অৱগত কৰে।

গহপুৰ মহকুমা অফিচ বিল্ডিং নিৰ্মাণ আৰু টি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো আই আৰ ডি পি আৰু ই এ এচৰ অন্তৰ্গত বুলি সমিতিক জনায়। এই আচনিটোৰ কাৰণে ১৯৯৬-৯৭ চনৰ আই আৰ ডি পি আৰু ১৯৯৮-৯৯ চনৰ ই এ এচৰ পৰা মুঠ চাৰে আঠ লাখ টকা চেংচন কৰা হৈছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে। লগতে এই আচনিটো দীঘলে ৯২১ ফুট আৰু বহলে ৪১ ফুট আছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক জনায়।

ক্ৰমশ: ২৮/-

গহপুৰ মিনি ষ্টেডিয়াম আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি আৰু এই আচনিটোৰ কাৰণে ২ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। লগতে এই ২ লাখ টকাৰ ভিতৰত ১ লাখ ৫০ হেজাৰ টকা আৰ্থ-ফিলিংৰ কাৰণে খৰছ হৈছে বুলি সমিতিক জনায়। এই আচনিটো ১০'৪ লাখ টকাৰ আচনি বুলি বিভাগীয় বিষয়াই সমিতিক জনায়।

গহপুৰ ছয় দুৱাৰ ডেভেলপমেণ্ট বলক :

গহপুৰ হাইস্কুল প্লেট ফৰম আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ আৰু এই আচনিটোৰ কাৰণে ২ লাখ টকা চেংচন কৰা হৈছিল বুলি জনায়। এই আচনিটোৰ কাৰণে ধাৰ্য্য কৰা ২ লাখ টকাৰ ভিতৰত ৮০ হেজাৰ টকা প্লেট ফৰ্মৰ কাৰণে আৰু ১ লাখ ২০ হেজাৰ টকা আৰ্থ ফিলিংৰ কাৰণে ধৰা হৈছে বুলি সমিতিক জনায়। এতিয়ালৈকে ১ লাখ ৫০ হেজাৰ টকা বিলিজ কৰা হৈছে আৰু তাৰ ভিতৰত ৬৮ হেজাৰ টকা খৰছ কৰা হৈছে বুলি সমিতিক অৱগত কৰে। ইয়াৰোপৰিও আৰ্থ ফিলিংৰ কাৰণে আৰু টকা ধৰিব লাগিব বুলি সমিতিক জনায়।

গহপুৰৰ বৰপুখুৰী আৰু শ্বহীদ কনকলতা আৰু শ্বহীদ মুকুন্দ কাকতীৰ প্ৰতি মূৰ্ত্তি আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে মুঠ ২০ লাখ ২৪ হেজাৰ টকা চেংচন কৰা হৈছে। এই পুখুৰীটো দীঘল ১৭১ মিটাৰ আৰু বহল ৮৪ মিটাৰ বুলি বিভাগৰ জনায়। এই আচনিটোৰ কাম সম্পূৰ্ণ হৈছে বুলি জনায়।

ছত্ৰং বান্ধ আচনি পৰিদৰ্শন : (পূৱ ছয় দুৱাৰ বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ ৫০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। লগতে ১ লাখ ৫০ হেজাৰ টকাৰ ভিতৰত ১ লাখ ১৬ হেজাৰ টকা খৰছ কৰা হৈছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক অৱগত কৰে। এই বান্ধটো পৰিদৰ্শন কৰা সময়ত সমিতিয়ে বান্ধটোৰ এটা অংশ চিঙি থকা অৱস্থাত দেখা পায় সেই চিঙি থকা এটা অংশৰ পৰা গণেশ চন্দ্ৰ সন্ধিকৈ আৰু জীৱেণ সন্ধিকৈয়ে মাটি কাটি তাৰ পৰা কিছু দূৰলৈ আনি বান্ধটো বন্ধাৰ কাৰণে শ্ৰমিকৰ দ্বাৰা

ক্ৰমশ: ২৯/-

কামটো কৰি থকা অৱস্থাত দেখা পায় । সমিতিৰ ফালৰ পৰা তেওঁলোকক বিভাগৰ অনুমতি লৈ মাটি কাটিছে নে নাই সোধাত তেওঁলোকে অনুমতি লোৱা নাই বুলি সমিতিৰ আগত কয় । অনুমতি নোলোৱাকৈ মাটি কটাটো যে তেওঁলোকৰ ভুল হৈছে সেইটো তেওঁলোকে স্বীকাৰ কৰে । সমিতিৰ ফালৰ পৰা অনুমতি নোলোৱাকৈ মাটি কাটিব নালাগে বুলি কয় আৰু সেই সময়ৰ পৰাই কামটো বন্ধ ৰাখিবৰ কাৰণে নিৰ্দেশ দিয়ে । শ্ৰী গণেশ সন্ধিকৈ আৰু শ্ৰী জীবেণ সন্ধিকৈয়ে সমিতিৰ ওচৰত ক্ষমা বিচাৰে ।

মধ্য ছত্ৰং বক্স কালভাৰ্ট আচনি পৰিদৰ্শন :(ছয় দুৱাৰ বল)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায় । লগতে এই আচনিটো সম্পূৰ্ণ হোৱা বুলি সমিতিক জনায় ।

গহপুৰ টি টু লাউদাঙি ৰোড বক্স কালভাৰ্ট আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ ৮০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায় । এই আচনিটো বহল ৬-$\frac{১}{২}$ মিটাৰ আৰু দীঘল ৮ মিটাৰ বুলি সমিতিয়ে জানিব পাৰে ।

শ্ৰীমতী মালতি শইকীয়াৰ আই এ ওৱাই ঘৰ পৰিদৰ্শন :
(মাগনি গাওঁ ছয় দুৱাৰ বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি সমিতিক জনায় । সমিতিয়ে এই ঘৰটো দীঘল ১৮ ফুট বহল ১২ ফুট বুলি জানিব পাৰে । আৰু এইটো সম্পূৰ্ণ হোৱা দেখিবলৈ পায় ।

শ্ৰী হেম ৰাম বৰুৱা আই এ ওৱাই ঘৰ পৰিদৰ্শন :
(মাগনি গাওঁ)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি সমিতিক জনায় । সমিতিয়ে এই ঘৰটো সম্পূৰ্ণ হোৱা অৱস্থাত দেখা পায় ।

শ্ৰী খগেন ভূঞা আই এ ওৱাই ঘৰ পৰিদৰ্শন :
(মাগনি গাওঁ)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ বুলি জনায় । সমিতিয়ে এই ঘৰটো সম্পূৰ্ণ হৈ থকা অৱস্থাত দেখা পায় ।

ক্ৰমশ: ৩০/-

শ্ৰী ... মিলন কমিউনিটি হল আচনি পৰিদৰ্শন:
(চাৰি দুৱাৰ ডেভেলপমেণ্ট বলক )

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ আৰু ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায়। লগতে এই আচনিটোৰ কাৰণে ৩ লাখ ৯৫ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়।

মিচন চাৰিআলি কমিউনিটি হল আচনি পৰিদৰ্শন :
(বালিপাৰা ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ ৩০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়।

মিচন চাৰিআলি কমিউনিটি চায়েন্স চেণ্টাৰ পৰিদৰ্শন:
(বালিপাৰা ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ কেইটামান ৰুমৰ ওৱালৰ কাৰণে ১৯৯৬-৯৭ চনৰ ই এ এচৰ পৰা ১ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। এই আচনিটোৰ ওপৰৰ চাটখন আগৰ আছিল বুলি বিভাগে সমিতিক জনায়। তাৰোপৰি এই এক লাখ টকাৰে ৩ টা ৰুমৰ চাৰিওফালৰ বেৰ প্ৰায় সম্পূৰ্ণ কৰিছে।

মইনা কেওটৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :(শইকীয়া চুবুৰী)
(বালিপাৰা ডেভেলপমেণ্ট বলক )

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৯-২০০০ চনৰ আই এ ওৱাইৰ অন্তৰ্গত বুলি সমিতিক জনায়। এই আচনিটো দীঘল ১৮ ফুট আৰু বহল ১৬ ফুট বুলি সমিতিয়ে জানিব পাৰে। বিভাগৰ ফালৰ পৰা এই ঘৰটো ০৫ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি বিভাগক আশ্বাস দিয়ে।

শ্ৰী ভোগেশ্বৰ কেওট আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন (শইকীয়া চুবুৰী)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ আই এ ওৱাইৰ অন্তৰ্গত বুলি সমিতিক জনায়। এই আচনিটো দীঘল ১৮ ফুট আৰু বহল ১২ ফুট বুলি সমিতিয়ে জানিব পাৰে। এই আচনিটো ভাল হৈছে বুলি সমিতিয়ে মত পোষণ কৰে।

খিলি পুখুৰী আচনি পৰিদৰ্শন (হলেশ্বৰ গাওঁ)
(বালিপাৰা ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায়। লগতে এই আচনিটোৰ ফেন্সিংৰ কাৰণে ১৯৯৮-৯৯ চনৰ ই এ এচৰ পৰা ৭০ হেজাৰ টকা চেংচন কৰা

ক্ৰমশ: ৩১/-

হৈছে বুলি আৰু পুখুৰীটোৰ ৰিমোভেচনৰ কাৰণে ১৯৯৮-৯৯ চনৰেই ই এ এচৰ পৰা ৮৬ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। ফেন্সিংৰ কাৰণে ১০ হেজাৰ টকা খৰছ কৰা হোৱা নাই বুলি আৰু ৰিমোভেচনৰ কাৰণে ৮৬ হেজাৰ টকাৰ ভিতৰত ৮৫ হেজাৰ টকা খৰছ কৰা হৈছে বুলি ... বিভাগে সমিতিক অৱগত কৰে।

<u>মোৰামাৰী বড়ো সাহিত্য সভা ভৱন আচনি পৰিদৰ্শন</u> :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৫-৯৬ আৰু ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত বুলি সমিতিক জনায়। ১৯৯৫-৯৬ চনৰ ই এ এচৰ পৰা ডেৰ লাখ টকা আৰু ১৯৯৬-৯৭ চনৰ ই এ এচৰ পৰা ডেৰ লাখ টকা মুঠ তিনি টকা আচনিটোৰ কাৰণে চেংচন কৰা হৈছে আৰু ২ লাখ ৯০ হেজাৰ টকা খৰছ কৰা হৈছে বুলি বিভাগীয় বিষয়াই সমিতিক জনায়।

<u>মোৰামাৰী মিনি ষ্টেডিয়াম আচনি পৰিদৰ্শন</u> :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৫-৯৬ আৰু ১৯৯৬-৯৭ চনৰ ই এ এচৰ বুলি সমিতিক জনায়। এই আচনিটোৰ কাৰণে ১৯৯৫-৯৬ চনৰ ই এ এচৰ পৰা ৫ লাখ টকা আৰু ১৯৯৬-৯৭ চনৰ ই এ এচৰ পৰা ১ লাখ ৪০ হেজাৰ টকা চেংচন কৰা হৈছে। এই টকাৰ ভিতৰত ৬ লাখ ৩০ হেজাৰ টকা বাউণ্ডাৰি ওৱাল আৰু আৰ্থফিলিংৰ কামত খৰছ কৰা হৈছে বুলি বিভাগীয় বিষয়াই সমিতিক জনায়। লগতে এই ষ্টেডিয়ামখনৰ এৰিয়া ৬'২৫ হেক্টৰ বুলি জনায়।

<u>মোৰামাৰী হেম বৰুৱা অডিটৰিয়াম আচনি পৰিদৰ্শন</u>:

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত। এই আচনিটোৰ কাৰণে ১ লাখ ৪৫ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। ১ লাখ ৪৫ হেজাৰ টকাৰ ভিতৰত এই অডিটৰিয়ামটো ৰিমোভেচনৰ কাৰণে ১ লাখ ৩০ হেজাৰ টকা খৰছ হৈছে বুলি বিভাগে সমিতিক অৱগত কৰে।

<u>মোৰামাৰী আঞ্চলিক পেক্ষা গৃহ আচনি পৰিদৰ্শন</u> :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৫-৯৬ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ ৫০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়। সমিতিয়ে এই আচনিটো সম্পূৰ্ণ হোৱা অৱস্থাত দেখা পায়।

ক্ৰমশ: ৩২/

চাৰি দুৱাৰ মিনি ষ্টেডিয়াম আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সমূত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ আৰু ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত বুলি জনায়। এই আচনিটোৰ কাৰণে ১৯৯৬-৯৭ চনৰ ই এ এ ৰ পৰা ৪ লাখ আৰু ১৯৯৭-৯৮ চনৰ পৰা ৪ লাখ মুঠতে ৮ লাখ টকা চেংচন কৰা হৈছিল বুলি সমিতিক জনায়।

চেন্ট্ৰেল পুখিভৰ্ত্তাল আচনি পৰিদৰ্শন :(চাৰি দুৱাৰ)

এই আচনিটো পৰিদৰ্শন কৰা সমূত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত। এই আচনিটোৰ কাৰণে ৫০ হেজাৰ টকা খৰছ কৰা হৈছে। কামটো সম্পূৰ্ণ হোৱা নাই বুলি বিভাগে সমিতিক জনায়।

ইং ৩-২-২000 তাৰিখে ৰাতিপুৱা ৮-৩০ বজাত মঙ্গলদৈ আৱৰ্ত্ত ভৱনৰ পৰা পি এ চি সমিতিয়ে মঙ্গলদৈ ডি আৰু ডি এ ৰ বিভিন্ন আচনিবোৰ নিম্ন লিখিত ধৰনে স্পট ভিজিট কৰে।

---

মঙ্গলদৈ ডিষ্টিক্ট কম্পিউটাৰ চেন্টাৰ আচনি পৰিদৰ্শন:
(ডেৰাৰ ঘাট পশ্চিম মঙ্গলদৈ ডেভলপমেন্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সমূত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ আই আৰ ডি পি প্ৰগ্ৰেম ইনফাষ্ট্ৰাকচাৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৩৫ লাখ টকা চেংচন কৰা হৈছে বুলি জনায়। এই ৩৫ লাখ টকাৰ ভিতৰত ইতিমধ্যে ২০ লাখ টকা খৰছ কৰা হৈছে। এই আচনিৰ কামটো মঙ্গলদৈৰ ডিষ্ট্ৰিক্ট কমিটিয়ে কৰিছে ইয়াৰ এটা প্লেন এন্ড এষ্টিমেটৰ কপি দিবৰ কাৰণে সমিতিৰ ফালৰ পৰা বিভাগক কয়।

যাত্ৰী জিৰণী ঘৰ আচনিৰ পৰিদৰ্শন :

(লেঙেৰীপাৰা পূৱ মঙ্গলদৈ ডেভলপমেন্ট বলক )

এই আচনিটো পৰিদৰ্শন কৰা সমূত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত। এই আচনিটোৰ কাৰণে ১৪ হেজাৰ টকা চেংচন কৰা হৈছে। এইটো দীঘলে ৬'১০ মিটাৰ আৰু বহলে ৩'২৫ মিটাৰ বুলি সমিতিয়ে জানিব পাৰে। লগতে এই জিৰণী চৰাটো ৬ টা পোষ্ট থকা সমিতিয়ে দেখিবলৈ পায়।

শইকীয়া পাৰা ৰঙ্গমঞ্চ আচনি পৰিদৰ্শন :
(কলাইগাওঁ পশ্চিম মঙ্গলদৈ ডেভলপমেন্ট ৰলক )

এই আচনিটো পৰিদৰ্শন কৰা সমূত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত। এই আচনিটোৰ কাৰণে ২ লাখ ৪০ হেজাৰ টকা চেংচন কৰা হয় বুলি জনায়।

ক্ৰমশ: ৩৩/-

মহিলা কমিউনিটি হল আচনি শইকীয়া পাৰ পশ্চিম মঙ্গলদৈ ডেভেলপমেণ্ট বলক আচনি পৰিদৰ্শন /

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ টকা চেংচন কৰা হৈছে বুলি জনায়। এই আচনিটো দীঘল ৭'৫ মিটাৰ আৰু বহল ৪'৮ মিটাৰ। ইয়াৰ লগতে ৬ ফুটৰ বাৰাণ্ডাও আছে বুলি সমিতিয়ে জানিব পাৰে।

ইদগাহ ময়দান আচনি পৰিদৰ্শন :
(পনিয়াখাট ধোলাগাওঁ জিপি)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো জে আৰ ওৱাইৰ ১৯৯৮-৯৯ চনৰ অন্তৰ্গত বুলি সমিতিক জনায়। এই আচনিটোৰ আৰ্থফিলিং আৰু বাউণ্ডৰি ওৱালৰ কাৰণে ২'৫ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়।

পূব মঙ্গলদৈ ডেভেলপমেণ্ট বলক অফিচৰ বাৰাণ্ডা পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ এডিশ্যনেল জে আৰ ওৱাইৰ অন্তৰ্গত বুলি কয় আৰু এই আচনিটোৰ কাৰণে ১ লাখ ৭৪ হেজাৰ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়।

অফিচ বিল্ডিং অৱ পূব মঙ্গলদৈ ডেভেলপমেণ্ট বলক আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৭'৫ লাখ টকা চেংচন কৰা হৈছে বুলি জনায়।

শ্ৰী আতৰ আলিৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :

(ঢোলা গাওঁ)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ আই এ ওৱাইৰ অন্তৰ্গত বুলি সমিতিক জনায়।

শংকৰ জ্যোতি এম ই স্কুল আচনি পৰিদৰ্শন :

(দাক চকি ২ নং মাজ গাওঁ পূব মঙ্গলদৈ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। এই আচনিটো ১৪'৩ মিটাৰ দীঘল আৰু ৫'৭ মিটাৰ বহল বুলি জানিব পাৰে। তাৰ লগতে ৬ ফুটৰ বাৰাণ্ডাও আছে। এই আচনিটোৰ কাৰণে ২ লাখ টকা ধৰা হৈছে। হিতেশ ডেকা নামৰ ঠিকাদাৰ এজনে এই কামটো কৰিছে বুলি বাইজৰ ফালৰ পৰা সমিতিক জনাব।

ক্ৰমশ: ৩৪/-

কনষ্ট্ৰাকচন অৱ দাক চকি নাট্য মণ্ডৰ ষ্টেজৰ আচনিপৰিদৰ্শন :
(দাক চকি ২ নং মাজগাওঁ পুৰাণ্ডল মঙ্গলদৈ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত । এই আচনিটোৰ কাৰণে ১ লাখ ৬০ হেজাৰ + ২০ হেজাৰ মুঠ ১ লাখ ৮০ হেজাৰ চেংচন কৰা হৈছে বুলি সমিতিক জনায় । এই আচনিটোৰ কাম সম্পূৰ্ণ হৈছে যদিও ইয়াতযিটো টিংপাত লগাইছে সেই টিংপাত লগোৱাত ভাল হোৱা নাই সেই কাৰণে সমিতিয়ে অসন্তুষ্টি প্ৰকাশ কৰিছে । বিভাগীয় বিষয়াই এইখিনি কাম সোনকালে সম্পূৰ্ণ ভাবে থিক কৰি দিব বুলি সমিতিক আশ্বাস দিয়ে ।

প্ৰটেকচন ওৱৰ্ক অৱ শ্ৰীমন্ত শংকৰ দেৱ কমিউনিটি টেজৰ আচনি পৰিদৰ্শন :
(দাক চকি মাজগাওঁ ২ নং)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত । এই আচনিটোৰ কাৰণে ১ লাখ ৩৮ হেজাৰ চেংচন কৰা হৈছে বুলি সমিতিক জনায় ।

শ্ৰীমতী মাধি বালা ডেকাৰ আই এ ওৱাইৰ ঘৰ পৰিদৰ্শন :
(মেনা পাৰা গাওঁ পুব মঙ্গলদৈ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ আই এ ওৱাই অন্তৰ্গত বুলি সমিতিক জনায় । সমিতিয়ে এই ঘৰটো দীঘল ৪'২ মিটাৰ আৰু বহল ৩'৭ মিটাৰ । ঘৰটোৰ পিচফালে থকা দীঘল ২'১ মিটাৰ আৰু বহল ১'৫ মিটাৰৰ সৰু কোঠা এটা দেখা পায় । হিতাধিকাৰীয়ে ঘৰটোৰ ভিতৰৰ ওৱালৰ প্লাষ্টাৰ নিজে কৰি লৈছে বুলি সমিতিক জনায় ।

মঙ্গলদৈ কলেজ ছাত্ৰী নিবাস আচনি পৰিদৰ্শন :
(পশ্চিম মঙ্গলদৈ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ১ লাখ ২০ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায় । এই আচনিটো দীঘল ৯'৮৫ মিটাৰ আৰু বহল ৫'২৫ মিটাৰ আৰু বাৰাণ্ডা ১'৮৫ মিটাৰ আছে বুলি সমিতিয়ে জানিব পাৰে । বিভাগীয় বিষয়াই ইয়াৰ লগতে এটা লেট্ৰিন আৰু এটা ইউৰিনেল বনোৱাৰ কথা সমিতিক অৱগত কৰে ।

লক্ষীমপুৰ আঞ্চলিক মীন মহল ইকো হাটচাৰী আচনি পৰিদৰ্শন :
(কালাই গাওঁ ডেভেলপমেণ্ট বলক)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৮-৯৯ চনৰ আই আৰ ডি পি ইনফ্ৰাষ্ট্ৰাকচাৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২'৪৪ লাখ টকা চেংচন কৰা হৈছে বুলি জনায় । ইতিমধ্যে

ক্ৰমশ: ৩৫/-

এই আচনিটোৰ জৰিয়তে ৬০ লাখ মাছৰ পোনা উৎপাদন কৰাৰ কথা আৰু ৫ হেজাৰ টকা মাছৰ পোনা বাইজৰ ওচৰত বিক্ৰী কৰাৰ কথা মীন মহল সমিতিৰ পৰা সমিতিক অৱগত কৰে। ইয়াৰোপৰিও সমিতিয়ে এই ৰজাদিনিয়া মীন মহলটো চৰকাৰৰ পৰা প্ৰতি বছৰে ২০ হেজাৰ টকাত লিজত লয় আৰু এই মীন মহলটোৰ পৰা ৫ লাখ টকা এবছৰত লাভ হয় বুলি সমিতিক জনায়। সমিতিৰ ফালৰ পৰা মাননীয় সভাপতি মহোদয়ে যোৰহাট ৰিজিয়নেল ৰেচাৰ্চ লেবৰেটৰিৰ লগত যোগাযোগ কৰি মীন মহল সমিতিক পুখুৰীটোৰ চাৰিওফালে মূল্যবান আৰু বনৌষধি গছ ৰোৱাৰ কাৰণে পৰামৰ্শ আগবঢ়ায়।

কনষ্ট্ৰাকচন অব গেৰুৱা মাৰ্কেট চেৰ আচনি পৰিদৰ্শন: (কুলহাটী)

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৭-৯৮ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৪'৫ লাখ টকা চেংচন কৰা হৈছে। এই আচনিটো সম্পূৰ্ণ কৰা হৈছে যদিও ইয়াৰ মজিয়াখনৰ কিছু অংশ ভাঙি থকা অৱস্থাত আৰু মজিয়াখনৰ প্লাষ্টাৰ কৰোতে শিল দি প্লাষ্টাৰ নকৰা আৰু চিমেণ্টৰ প্ৰপচনটো কম হোৱা দেখিবলৈ পায়। সমিতিয়ে এই আচনিটোৰ ক্ষেত্ৰত সন্তুষ্ট হোৱা নাই বুলি মত প্ৰকাশ কৰে। আৰু যুটীয়া সঞ্চালকক ইয়াৰ এটা তদন্ত কৰি সোনকালে ৰিপোৰ্ট সমিতিৰ ওচৰত দাখিল কৰাৰ কাৰণে নিৰ্দেশ দিয়ে।

ৰোড কাম বান্ধ ফৰম হাজো নলবাৰী পি ডব্লিউ ডি ৰোড টু দক্ষিণ চিংৰা ভায়া কোঁৱৰ পুৰ আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ২ লাখ ৭৫ হেজাৰ টকা চেংচন কৰা হৈছে বুলি জনায়। এই আচনিটোৰ কাল্ভাৰ্টটো যিহেতু সম্পূৰ্ণ হোৱা নাই সেয়েহে ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰি দিবলৈ সমিতিয়ে নিৰ্দেশ দিয়ে।

ওৱেদিং চেন্ত কলিতা কুছিৰ আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৫০ হেজাৰ টকা খৰছ হৈছে বুলি সমিতিক জনায়। বিভাগীয় বিষয়াই এই আচনিটোৰ কাম মজজিদ কমিটিয়ে সম্পূৰ্ণ কৰে বুলি সমিতিক জনোৱাত, সমিতিয়ে মজজিদ কমিটিয়ে প্ৰস্তাৱৰ কপি সমিতিক দাখিল কৰাৰ কাৰণে বিভাগক নিৰ্দেশ দিয়ে।

কমিউনিটি হল অৰ বাসমন্দিৰ এট বাগৰদিয়া আচনিৰ পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭, ১৯৯৭-৯৮ আৰু ১৯৯৮-৯৯ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৫ লাখ টকা চেংচন কৰা হৈছে বুলি জনায়। সমিতিয়ে এই হলটোৰ নিৰ্মাণৰ কাম মোটামোটিভাৱে থিকে আছে বুলি মত প্ৰকাশ কৰে।

ইৰচন প্ৰটেকচন অৰ বৰহাদিয়া আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটো ১৯৯৬-৯৭ চনৰ ই এ এচৰ অন্তৰ্গত আৰু এই আচনিটোৰ কাৰণে ৩ লাখ টকা চেংচন কৰা হৈছে বুলি সমিতিক জনায়। এই আচনিটোত যিমান পৰিমানৰ বলদাৰ থাকিব লগিছিল, সিমান পৰিমানৰ বলদাৰ নথকাটো সমিতিয়ে সোধাত বিভাগীয় বিষয়াই বলদাৰকেইটা বানপানীয়ে খহাই নিছে বুলি সমিতিক জনায়। সমিতিৰ ফালৰ পৰা প্লেন এষ্টিমেটৰ কপি এটা সমিতিৰ ওচৰত দাখিল কৰাৰ কাৰণে বিভাগক নিৰ্দেশ দিয়ে।

বাঘমন্দি তৰুণ সংঘ আৰু পুথিভঁৰাল অডিটৰিয়াম হল আচনি পৰিদৰ্শন :

এই আচনিটো পৰিদৰ্শন কৰা সময়ত বিভাগীয় বিষয়াই এই আচনিটোৰ ই এ এচ আৰু জে আৰ ওৱাইৰ অন্তৰ্গত বুলি সমিতিক জনায়। লগতে এই আচনিটোৰ কাৰণে ১৯৯৫-৯৬ চনৰ জে আৰ ওৱাইৰ পৰা ৩ লাখ টকা ১৯৯৬-৯৭ চনৰ পৰা ৩ লাখ টকা ১৯৯৮-৯৯ চনৰ ই এ এচৰ পৰা ১ লাখ টকাৰ চেংচন কৰা হৈছে আৰু বাইজৰ ফালৰ পৰাও সহযোগ আছে বুলি বিভাগে সমিতিক জনায়। ইয়াৰোপৰিও কমিটমেন্টৰ ২ লাখ টকা দিবলৈ বাকী আছে বুলি বিভাগৰ ফালৰ পৰা সমিতিক জনোৱাত সমিতিয়ে সেই ২ লাখ টকা দি বাকী খিনি কাম সম্পূৰ্ণ কৰাৰ কাৰণে পৰামৰ্শ দিয়ে।

মাননীয় সভাপতি মহোদয়ে অহা ২১ আৰু ২২ ফেব্ৰুৱাৰী তাৰিখে দুদিন কামৰূপ জিলাৰ বিভিন্ন বলক বিলাক (ডি আৰডি এ) ভিজিট কৰিব বুলি জনায়।

0000000000000